# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :09**-DEC-2025

**Time :** 12-05 Hrs

***Assamese Morning Bulletin***

***Headlines***

**--------------------**

১। কামৰূপ জিলাৰ বকোত আজি প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ তিনি লাখৰো অধিক হিতাধিকাৰীক যোজনাৰ অনুমোদন পত্ৰ বিতৰণ।

২। ৰাজ্যজুৰি কাইলৈ পালন কৰিবলগীয়া ছহিদ দিৱসৰ পূৰ্বে আজি মুখ্যমন্ত্ৰীৰ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন।

৩। চৰকাৰী কামত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰাৰ বাবে ৰাজ্য চৰকাৰৰ কঠোৰ নিৰ্দেশনা।

**আৰু**

৪। কটকৰ বাৰাবতী ষ্টেডিয়ামত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অন্তৰ্গত ২০২৫-২৬ বৰ্ষৰ বাবে তিনি লাখৰো অধিক হিতাধিকাৰীসকললৈ যোজনাৰ অনুমোদন পত্ৰৰ ৰাজ্যিক পৰ্যায়ৰ কেন্দ্ৰীয় আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ আজি উদ্বোধন কৰে। কামৰূপ জিলাৰ বকোৰ গান্ধী ময়দান সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত এই কাৰ্যসূচীত হিতাধিকাৰীসকলৰ লগতে ভালে সংখ্যক লোক উপস্থিত আছে। মুখ্যমন্ত্ৰীয়ে কয়, যে এই আঁচনিৰ অধীনত চৰকাৰে বহুসংখ্যক নতুন হিতাধিকাৰীকো অন্তৰ্ভুক্ত কৰিব। পূৰ্বৰ চৰকাৰৰ অতি কম পৰিমাণৰ ধনৰ তুলনাত বৰ্তমানৰ চৰকাৰে এই আঁচনিৰ ঘৰ নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলক ডেৰ লাখকৈ টকা দিয়াটো অতি গুৰুত্বপূৰ্ণ বুলিও তেওঁ মন্তব্য কৰে। বৰ্তমানৰ চৰকাৰে দৰিদ্ৰ, মধ্যবিত্ত আদি জনসাধাৰণৰ কাৰণে কাম কৰি অহা বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত যোৰহাট জিলাৰ চাৰিওটা বিধানসভা সমষ্টিতে আজি আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। যোৰহাট বিধানসভা সমষ্টিৰ বাবে এই অনুষ্ঠান যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত অনুষ্ঠিত হ'ব। জিলাখনৰ তিতাবৰ মৰিয়নি আৰু টীয়ক বিধানসভা সমষ্টিতো এই উপলক্ষে বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে কাইলৈ পালন কৰিবলগীয়া ছহিদ দিৱসৰ পূৰ্বে আজি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰত ছহিদৰ স্মৃতিত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিয়লি চাৰি বজাৰ পৰা থাপনা স্থাপন, ভাগৱত পাঠ, ছহিদ প্ৰণাম জ্যোতি প্ৰজ্বলন, দিহা নাম, থিয় নাম আদিৰ আয়োজন কৰা

হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। ইয়াৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছহিদ স্মাৰক ক্ষেত্ৰত উপস্থিত হৈ কাইলৈ হ'বলগীয়া ছহিদ স্মাৰক ক্ষেত্ৰ উদ্বোধনৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে ছহিদ স্মাৰক ক্ষেত্ৰৰ পৰা পোনপটীয়াকৈ জনসাধাৰণ সম্বোধন কৰাৰ লগতে এই স্মাৰক ক্ষেত্ৰৰ বিষয়ে সকলোকে বিশদভাৱে অৱগত কৰে।

*(বাইট ঃ ড০ শৰ্মা)*

ইপিনে, কাইলৈ বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰৰ লগতে ৰাজ্যজুৰি পালন কৰিবলগীয়া ছহিদ দিৱসৰ প্ৰস্তুতিৰ খতিয়ান ল'বলৈ মন্ত্ৰী অতুল বৰাই জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কালি এখন বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, জয়ন্ত মল্ল বৰুৱা, ৰূপেশ গোৱালা আৰু ৰাজ্যৰ মুখ্য সচিব ড° ৰবী কোটা উপস্থিত থাকে। বৈঠকত প্ৰতিখন জিলা আৰু সমজিলাত এই অনুষ্ঠান সফলভাৱে অনুষ্ঠিত কৰিবলৈ যাৱতীয় নিৰ্দেশনা দিয়া হয়। গুৱাহাটীৰ পশ্চিম বৰাগাওঁত ছহিদ দিৱস উদযাপনৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলা আৰু সম জিলা মুখ্য কাৰ্যালয়সমূহতো সকলো স্তৰৰ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণেৰে ছহিদ দিৱস পালন কৰা হ'ব। পশ্চিম বৰাগাঁৱত নিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ স্মৃতি সংৰক্ষণৰ লক্ষ্যৰে বৰাগাঁৱত এই ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰেক্ষাগৃহ, প্ৰাৰ্থনা গৃহ, চাইকেল ট্ৰেক আদিৰ উপৰি অসম আন্দোলন তথা ৰাজ্যখনৰ বুৰঞ্জীৰ বিভিন্ন ঘটনা প্ৰবাহক সামৰি শব্দ আৰু পোহৰৰ বিশেষ প্ৰদৰ্শনীৰো ব্যৱস্থা থাকিব।

০০০০০০

দেশৰ সংস্কৃতি আৰু আধ্যাত্মিক জীৱনত সংস্কৃত ভাষাৰ গুৰুত্ব আৰু প্ৰাসংগিকতা সন্দৰ্ভত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আলোকপাত কৰে। এই প্ৰসংগতে শ্ৰী মোদীয়ে দূৰদৰ্শনৰ সুপ্ৰভাত অনুষ্ঠানটিৰ বিষয়েও উল্লেখ কৰে। এই অনুষ্ঠানত দেশৰ সংস্কৃতি আৰু প্ৰমূল্য প্ৰতিফলিত কৰা সংস্কৃত হিতোপদেশ প্ৰতিদিনে প্ৰচাৰ কৰা হয় বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰে।

০০০০০০

অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে যাত্ৰীসকলৰ সা-সুবিধা তথা বিমানসমূহৰ উৰণ-অৱতৰণ সম্পৰ্কীয় সকলো তথ্যৰ লগতে বিমান ব্যৱস্থাপনা পৰ্যালোচনা সন্দৰ্ভত বিমান বন্দৰসমূহ পৰিদৰ্শন কৰিবলৈ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াবৰ্গক নিৰ্দেশ দিছে। যাত্ৰীসকলৰ মতামতকে ধৰি যিকোনো সমস্যাৰ সমাধান সন্দৰ্ভত মন্ত্ৰালয়ে অতি শীঘ্ৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে চৰকাৰী কামত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰাৰ বাবে পুনৰ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইন সঠিকভাৱে ৰূপায়ণ কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে অসমীয়াক চৰকাৰী ভাষা হিচাপে ব্যৱহাৰৰ সন্দৰ্ভত অধিসূচনা জাৰি তথা ঐতিহ্যপূৰ্ণ নথিসমূহ অসমীয়ালৈ অনুবাদ সন্দৰ্ভত পূৰ্বে দিয়া নিৰ্দেশ সম্পূৰ্ণৰূপে কাৰ্যকৰী নোহোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক বিভাগে যোৱা ৬ ডিচেম্বৰত প্ৰতিটো প্ৰশাসনিক বিভাগৰ জ্যেষ্ঠ সচিবগৰাকীক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ

বাবে নিৰ্দেশ জাৰি কৰে। উল্লেখযোগ্য যে অসম চৰকাৰী ভাষা আইন, ১৯৬০-ৰ সঠিক ৰূপায়ণ আৰু ৰাজ্যৰ অন্যান্য অঞ্চলত অসমীয়াক চৰকাৰী ভাষা হিচাপে তথা বৰাক উপত্যকা তথা ষষ্ঠ অনুসূচীভুক্ত অঞ্চলত অসমীয়াৰ লগতে স্থানীয় ভাষাৰ ব্যৱহাৰৰ বাবে যোৱা ১৪ এপ্ৰিলত এখন অধিসূচনা জাৰি কৰা হৈছিল। এই অধিসূচনাত সকলো চৰকাৰী কামত অসমীয়া ভাষা বাধ্যতামূলকভাৱে ব্যৱহাৰৰ নিৰ্দেশ দিয়া হৈছিল। এই অনুসৰি সকলো চৰকাৰী জাননী, কাৰ্যালয় স্মাৰক, আইন, নিয়মাৱলীকে ধৰি বিভিন্ন নিৰ্দেশনা ইংৰাজীৰ লগতে অসমীয়া ভাষাত জাৰি কৰিবলৈ কোৱা হৈছে। এই নিৰ্দেশ সম্পূৰ্ণৰূপে কাৰ্যকৰী নোহোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক বিভাগে সকলো প্ৰশাসনিক বিভাগলৈ পুনৰ নিৰ্দেশ জাৰি কৰিছে।

oooooo

ধেমাজি জিলাৰ চিমেন চাপৰি থানাৰ অন্তৰ্গত ডেকাপাম বিহবাৰীৰ ৫১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ লগতে আন তিনিজন লোক গুৰুতৰভাৱে আহত হয়। চিমেন চাপৰি দিশৰ পৰা ডেকাপাম অভিমুখে গৈ থকা এখন ট্ৰাক আৰু বিপৰীত দিশৰ পৰা আহি থকা এখন ট্ৰেক্টৰৰ মাজত মুখামুখী সংঘৰ্ষ হোৱাৰ ফলত এই শোকাবহ পথ দুৰ্ঘটনাটো সংঘটিত হয়।

oooooo

বিশ্বনাথ জিলাৰ গহপুৰৰ বড়িগাঁৱত আজি পুৱতিনিশা এটা পথ দুৰ্ঘটনা সংঘটিত হয়। গুৱাহাটীৰ পৰা লখিমপুৰলৈ গৈ থকা এখন ইটাভৰ্তি ট্ৰাকে নিয়ন্ত্ৰণ হেৰুৱাই ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত বাগৰি পৰে। ট্ৰাকখনৰ চালকজনৰ অৱস্থা সংকটজনক বুলি আমাৰ সংবাদদাতাই জনাইছে। ঘটনাস্থলীত গহপুৰ আৰক্ষী উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

oooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কল্পনা ডেকাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ কামৰূপ মহানগৰৰ সংবাদদাতা হেমন্ত বৰাই। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

oooooo

আলহী দল দক্ষিণ আফ্ৰিকাক শেহতীয়া এদিনীয়া শৃংখলাত পৰাজিত কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে আজি কটকৰ বাৰাবতী ষ্টেডিয়ামত দলটোৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্য কুমাৰ যাদৱে নেতৃত্ব দিবলগীয়া খেলখনত হাৰ্ডিক পাণ্ডিয়া আৰু শুভমন গিলেও অংশগ্ৰহণ কৰিব বুলি যাদৱে নিশ্চিত কৰিছে। বি চি চি আইয়ে মুকলি কৰা এটা ভিডিঅ'যোগে উপ-অধিনায়ক শুভমন গিলে প্ৰয়োজনীয় চিকিৎসাৰ অন্তত সুস্থ হৈ উঠা বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। এই শৃংখলাৰ পৰৱৰ্তী খেলখন অহা বৃহস্পতিবাৰে চণ্ডীগড়ৰ মুল্লানপুৰত, তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অন্তিম খেলখন অনুষ্ঠিত হ'ব।

oooooo

২০২৬ বৰ্ষৰ বাবে আই পি এলৰ খেলুৱৈৰ নিলাম তালিকা চূড়ান্ত কৰা হৈছে। অহা ১৬ ডিচেম্বৰত আবু ধাবিত হ'বলগীয়া নিলাম প্ৰক্ৰিয়াৰ বাবে ৩৫০ গৰাকী ক্ৰিকেট খেলুৱৈক বাচনি কৰা হৈছে। এই প্ৰক্ৰিয়াৰ বাবে

নাম পঞ্জীয়ন কৰা এহেজাৰ ৩৯০ গৰাকী খেলুৱৈৰ ভিতৰত ২৪০ গৰাকী ভাৰতীয় আৰু ১১০ গৰাকী বিদেশী খেলুৱৈকে ধৰি মুঠ ৩৫০ গৰাকী খেলুৱৈক বাচনি কৰা হৈছে।

০০০০০০

অহা ১৩ ডিচেম্বৰত দেশজুৰি হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে ডিব্ৰুগড় জিলাৰ অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত জিলা ন্যায়িক আদালতত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে।

০০০০০০

সমাপ্ত